অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date :*

# অসম জাতীয় বিদ্যালয়ৰ বাকৰিত ৭২তম স্বাধীনতা দিৱস উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ১৬ আগষ্ট, ২০১৮ :** নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ত ১৫ আগষ্ট তাৰিখে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, কৰ্মচাৰী, পৰিচালনা সমিতিৰ সদস্যসকলৰ উপস্থিতিত ৭২তম স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। পুৱা ৭.৩০ বজাত পতাকা উত্তোলন কৰি বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে উপস্থিত সকলোকে স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। এই অনুষ্ঠানতে বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে দেশৰ শ্বহীদসকলক সোঁৱৰণ কৰি তেওঁলোকৰ ত্যাগ আৰু বীৰত্বৰ বিষয়ে আলোকপাত কৰে। ইয়াৰ পিছতে শিক্ষাৰ্থীসকলৰ দ্বাৰা এক বিশেষ অনুষ্ঠানৰো আয়োজন কৰা হয়। সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী ৰুণিমা শৰ্মা গোস্বামীয়ে স্বাধীনতা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ পিছতে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী ভাস্বতী চৌধুৰীয়ে 'ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা' শীৰ্ষক বক্তব্য আগবঢ়ায়। শিক্ষয়িত্ৰী ৰুণুমী কলিতাই 'স্বাধীনতা আন্দোলনত জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ গুৰুত্ব' শীৰ্ষক এক বক্তৃতাৰে শিক্ষাৰ্থী আৰু উপস্থিত সকলোকে আপ্লুত কৰি তোলে। এই অনুষ্ঠানতে বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে সাংস্কৃতিক কাৰ্যসূচীও পৰিৱেশন কৰে। অনুষ্ঠানৰ কাৰ্যসূচী সুকলমে অনুষ্ঠিত হোৱাত সহায় কৰাৰ বাবে উপস্থিত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে বিদ্যালয়ৰ উপাধ্যক্ষা উদয়া ফুকনে। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী বিষ্ণুৱাত বৰা আৰু বিশালাক্ষী শৰ্মাই। অনুষ্ঠানৰ আহ্বায়িকাৰ দায়িত্বত থাকে ইংৰাজী বিভাগৰ শিক্ষয়িত্ৰী প্ৰীতিলতা পাটগিৰি।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭